**২.৫ সম্পদৰ পৰিচালনা** (Management of resources: পৰিচালনা শব্দৰ ইংৰাজী প্ৰতিশব্দ Managementৰ অৰ্থ হ'ল কৰ্তৃত্ব চালনা বা চলোৱা, প্ৰশাসন চলোৱা ইত্যাদি। এই শব্দটোৰ ব্যাখ্যা এনেদৰে দিয়া হয় Manage by man tact fully অৰ্থাৎ কৌশল প্ৰয়োগ কৰি মানুহৰ দ্বাৰা পৰিচালনা কৰা হয়। সাধাৰণ ভাষাত ক'বলৈ গ'লে মানুহে নিজৰ বুদ্ধিৰ দ্বাৰা নানান কৌশল প্ৰয়োগ কৰি সম্পদ সমূহ ব্যৱহাৰ কৰে, তাকেই পৰিচালনা বুলি ক'ব পাৰি। এই পৰিচালনা ক্ৰিয়া হ'ল, এক মানসিক প্ৰক্ৰিয়া য'ত মানুহে নিজস্ব জ্ঞান, বুদ্ধি ব্যৱহাৰ কৰি কাৰ্য্য সমাধা কৰে। জীৱশ্ৰেষ্ঠ মানুহে এনে কাৰ্য্য কৰিবলৈ সক্ষম কিয়নো ইয়াত মানুহৰ চিন্তা-চৰ্চাৰ প্ৰয়োজন হয়।

অতি সাধাৰণ অৰ্থত 'পৰিচালনা' বুলিলে ক'ব পাৰি যে ব্যক্তিৰ হাতত থকা সম্পদৰ সু-ব্যৱহাৰৰ যোগেদি বিচৰাখিনি পাবলৈ বা প্ৰয়োজন পূৰণ কৰিবলৈ সক্ষম হোৱা অৰ্থাৎ হাতত যি আছে তাৰে পাবলৈ বিচৰাখিনি আহৰণ কৰা পৰিচালনাৰ আখ্যা এনেধৰণেৰেও দিব পাৰি— "ই হ'ল লক্ষ্যত উপনীত হোৱা দিশত কৰা পৰিকল্পিত কাৰ্য্য"।

পৰিচালনাৰ সংজ্ঞা বিভিন্নজনে বিভিন্ন ধৰণেৰে দাঙি ধৰিছে আৰু ব্যাখ্যাও দিছে। সেইবোৰৰ ভিতৰতে কেইটামান তলত দাঙি ধৰা হ'ল—

ক) মেক'ফাৰলেণ্ডে কৈছিল— "পৰিচালনা হ'ল এক প্ৰক্ৰিয়া য'ত পৰিচালকে নিজৰ প্ৰচেষ্টাৰে, পৰিকল্পনা আৰু লক্ষ্যৰ দিশে অগ্ৰগতিৰ বাবে সকলোবোৰ একলগে ব্যৱহাৰ কৰি কাৰ্য্য সম্পাদন কৰা।"

খ) অধ্যাপক ডেভিছৰ মতে পৰিচালনা হ'ল পৰিচালকে বা মুখিয়ালে লক্ষ্যত উপনীত হ'বৰ বাবে পৰিকল্পনা, সংগঠন আৰু নিয়ন্ত্ৰণৰ যোগেদি কৰা কাৰ্য্য।

গ) মেৰি কুছিং নাইলৰ (M.C. Nile) ভাষাত— মানৱ আৰু পাৰ্থিৱ সম্পদৰ ব্যৱহাৰৰ যোগেদি লক্ষ্যত উপনীত হোৱাৰ লগতে সন্তোষ লাভ কৰাই হ'ল সু-পৰিচালনা।

পৰিচালনা ক'লা আৰু বিজ্ঞান দুয়োটায়েই বুলি ক'ব পাৰি। কিয়নো পৰিচালনা কৰোতে ক'লা সুলভ মনোভাৱ, কৌশলৰ আয়ত্বকৰণ, প্ৰয়োগ, চিন্তা-চৰ্চা, অনুভূতি, কল্পনা, সৃষ্টিশীল, দৃষ্টিভঙ্গিৰে সম্পদৰ ব্যৱহাৰ কৰি

লক্ষ্যত উপনীত হোৱা।

আনহাতে বিজ্ঞান বুলি বিবেচনা কৰা হয়, কিয়নো ইয়াত প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰি জ্ঞান আহৰণৰ লগতে কেতবোৰ নীতি উপস্থাপন কৰি আৰু সেইবোৰৰ ওপৰত ভিত্তি কৰিয়েই সম্পদৰ ব্যৱহাৰ কৰা হয়। লগতে সম্পদ ব্যৱহাৰৰ ফলাফল তুলনামূলকভাৱে অধ্যয়ন কৰাটো সম্ভৱ কৰি তোলে।

এই সম্পদবোৰৰ দিশ, সংজ্ঞা চালি-জাৰি পৰিচালনাৰ শব্দৰ বিষয়ে এনেদৰে ব্যাখ্যা দিব পাৰি যে- ই হ'ল লক্ষ্যত উপনীত হ'বৰ বাবে কৰা এক পৰিকল্পিত কাৰ্য্য। ইয়াতেই মূল্যবোধৰ ওপৰত গুৰুত্ব দিয়া হয়। যিয়ে পৰিচালনা কৰোতে প্ৰয়োজন হোৱা সিদ্ধান্ত গ্ৰহণৰ সহায় কৰে।

**২.৫.১ পৰিচালনা প্ৰক্ৰিয়া** (Management Process : পৰিচালনা প্ৰক্ৰিয়া হ'ল এক জটিল প্ৰক্ৰিয়া। ইয়াত একাধিক কাৰ্য্য ক্ৰম অনুযায়ী সম্পাদন কৰিব লগাত পৰে আৰু কাৰ্য্য সম্পাদন কৰোতে বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিব লগা হয়। তাৰ বাবে এজন ব্যক্তিক জ্ঞান, কৌশল, অভিজ্ঞতা, বুদ্ধিকে ধৰি নানান সম্পদৰ প্ৰয়োজন হয়। এই সকলোবোৰ সম্পদ ব্যৱহাৰ কৰি ব্যক্তিৰ মানসিকভাৱে কাৰ্য্য সম্পাদন কৰে বাবেই পৰিচালনা প্ৰক্ৰিয়াক মানসিক প্ৰক্ৰিয়া হিচাপে গণ্য কৰা হয়।

সম্পদ পৰিচালনা কাৰ্য্য লক্ষ্যৰ দিশত গতি কৰোতে নানান স্তৰৰ মাজেৰে একাদিকক্ৰমে সমাধা কৰা হয়। ইয়াত পাঁচটা স্তৰ আছে—

ক) পৰিকল্পনা (Planning)

খ) সংগঠন (Organising)

গ) কাৰ্য্যকৰন (Implementing)

ঘ) নিয়ন্ত্ৰণ (Controling)

ঙ) মূল্যায়ন (Evaluating)